# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। অৰুণাচল আৰু ছিকিম বিধানসভা নিৰ্বাচনৰ ভোটগণনা সম্পন্ন। অৰুণাচলত বিজেপি আৰু ছিকিমত ছিকিম ক্ৰান্তিকাৰী মৰ্চা পুনৰ ক্ষমতা দখল।

২। ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে ৰাজ্যত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ। পুৱা ৮ বজাৰ পৰা ভোটগণনা আৰম্ভ। ভোটগণনাৰ দিনটোত গণনা শেষ নোহোৱা পৰ্যন্ত ড্ৰাই ডে ঘোষণা।

৩। অসম তথা উত্তৰ পূৰ্বাঞ্চলত ৰিমাল ঘূৰ্ণি বতাহৰ পৰৱৰ্ত্তী পৰ্যায়ৰ পৰিস্থিতি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ অধ্যক্ষতাত বৈঠক সম্পন্ন। দুৰ্যোগত নিহত ব্যক্তিৰ নিকটাত্মীয়লৈ এককালীন আৰ্থিক সাহায্য ঘোষণা।

*আৰু*

৪। ৰীমালৰ প্ৰভাৱত কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ লগতে নগাঁৱৰ বান পৰিস্থিতি অপৰিৱৰ্ত্তিত।

০০০০

অৰুণাচল প্ৰদেশত বিধানসভা নিৰ্বাচনৰ চলি থকা ভোটগণনাৰ ফলাফল অনুসৰি বিজেপিয়ে ৬০টা সমষ্টিৰ ৪৬টা সমষ্টিতে বিজয়ী হৈ একক সংখ্যাগৰিষ্ঠতাৰে পুনৰ এবাৰ শাসনভাৰ হাতত লবলৈ সাজু হৈছে। ইফালে, এন পি ই পি ৫খন, এন চি পি ৩খন, পি পি এয়ে ২খন, কংগ্ৰেছে এখন আৰু নিৰ্দলীয়ই তিনিখন আসন লাভ কৰে।

ইফালে, ছিকিমত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১খন আৰু ছিকিম ডেমক্ৰেটিক ফ্ৰণ্টে এখন আসন লাভ কৰে। ব্যাপক সংখ্যাগৰিষ্ঠতাৰে দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিবলৈ সাজু হৈছে। পূৰ্বৰ মুখ্যমন্ত্ৰী পৱন চামলিঙে দুখন আসনৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াই পৰাজিত হোৱাৰ বিপৰীতে মুখ্যমন্ত্ৰী তথা এছ কে এমৰ সভাপতি প্ৰেম সিং টামাঙে দুটা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াই দুয়োটা সমষ্টিতে জয়লাভ কৰে। উল্লেখযোগ্য যে ৪০ বছৰ ধৰি অবিৰতভাৱে নিৰ্বাচনত জয়লাভ কৰা শ্ৰীছামলিঙে এইবাৰ প্ৰথম বাৰৰ বাবে পৰাজয়ৰ সন্মুখীন হৈছে।

০০০০০

লোকসভা নিৰ্বাচনৰ অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াই সেই দিনটো ভোটগণনা শেষ নোহোৱা পৰ্যন্ত ড্ৰাই ডে ঘোষণা কৰিছে। সেই সময়ছোৱাত সকলো ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ সেৱন, বিক্ৰী, মজুতকৰণ আদি ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধি ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সকলো শুল্কাধীন পণ্যাগাৰ, ভাৰতত নিৰ্মিত বৈদেশিক সুৰাৰ খুচুৰা দোকান অথবা বাৰ, ক্লাব, হোটেল, দেশীয় সুৰাৰ দোকান বা অন্যান্য প্ৰতিষ্ঠানত এই সময়ছোৱাত মদ বিক্ৰী বা পৰিৱেশন বন্ধ থাকিব। আবকাৰি আইনৰ অধীনত অনুজ্ঞাপত্ৰবিহীনভাৱে মাদক দ্ৰব্য মজুতকৰণৰ বিৰুদ্ধে জিলাসমূহৰ আয়ুক্তৰ দ্বাৰা ব্যাপক অভিযান চলোৱাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ইফালে, ভোট গণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ফলাফল ঘোষণাৰ দিনটোত আইন-শৃংখলা নিয়ন্ত্ৰণৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰিছে। জিলাখনৰ তিনিচুকীয়া, ডুমডুমা, ডিগবৈ আৰু মাকুম বিধানসভা সমষ্টিৰ ভোটগণনা সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰূমত অনুষ্ঠিত হ'ব। ইয়াৰে ডুমডুমা বিধানসভা সমষ্টিটো লখিমপুৰ লোকসভা সমষ্টিৰ অন্তৰ্গত হোৱাৰ বিপৰীতে আন তিনিটা সমষ্টি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত। প্ৰতিটো বিধানসভা সমষ্টিৰ ভোটগণনা একে সময়তে ১৪খনকৈ টেবুলত অনুষ্ঠিত হ'ব। প্ৰতিখন টেবুলত একোজনকৈ কাউণ্টিং ছুপাৰভাইজাৰ, কাউণ্টিং সহকাৰী আৰু মাইক্ৰো অবজাৰভাৰ নিয়োগ কৰা হৈছে। পুৱা ৮ বজাৰ পৰা আৰম্ভ হ'বলগীয়া গণনাৰ বাবে সকলো বিষয়া কৰ্মচাৰীক পুৱা ৬ বজাত কৰ্মস্থলী উপস্থিত হ'বলৈ কোৱা হৈছে। ইফালে, জিলাখনৰ মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ ভোটগণনা মাৰ্ঘেৰিটা মহকুমাধিপতিৰ কাৰ্যালয়ত আৰু শদিয়া বিধানসভা সমষ্টিৰ ভোটগণনা শদিয়া মহকুমাধিপতিৰ কাৰ্যালয় সভাকক্ষত অনুষ্ঠিত হ'ব। ইয়াৰ বাবে সংশ্লিষ্ট মহকুমা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।

কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত গোলাঘাট জিলাৰ পাঁচটাকৈ বিধাসভা সমষ্টিতো ভোটগণনাৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গোলাঘাট, খুমটাই আৰু ডেৰগাঁও বিধানসভা সমষ্টিৰ বাবে ভোটগণনা ফৰকাটিং মহাবিদ্যালয়ত অনুষ্ঠিত হ'ব। আনহাতে, সৰুপথাৰ সমষ্টিৰ বাবে সৰুপথাৰত আৰু বোকাখাট বিধানসভা সমষ্টিৰ ভোটগণনা বোকাখাট মহকুমাধিপতিৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। ডেৰগাঁও সমষ্টিৰ পোষ্টেল বেলটৰ গণনাও গোলাঘাটতে সম্পন্ন হ'ব। ইফালে, বোকাখাট সমষ্টিৰ পোষ্টেল বেলটৰ গণনা ফৰকাটিঙত কৰা হ'ব। গোলাঘাট সমষ্টিত সৰ্বমুঠ ২৩ ৰাউণ্ডত, ডেৰগাঁও সমষ্টিত ২০ ৰাউণ্ডত, খুমটাই সমষ্টিত ১৯ ৰাউণ্ডত আৰু বোকাখাট সমষ্টিত ১৪টা ৰাউণ্ডত ভোটগণনা অনুষ্ঠিত হ'ব।

মৰিগাঁও জিলাতো তিনিটা সমষ্টিৰ বাবে অহা ৪ জুনত তিনিটা ভোটগণনা কক্ষত ভোট গণনা কৰা হ'ব। ৫২ নং জাগীৰোড সমষ্টিৰ ৩২২টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৩টা ৰাউণ্ডত, ৫৩ নং লাহৰীঘাট সমষ্টিৰ ৩২৩টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৪টা ৰাউণ্ডত আৰু ৫৪ নং মৰিগাঁও সমষ্টিৰ ২৬৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ১৯টা ৰাউণ্ডত ভোটগণনা কৰা হ'ব। প্ৰতিটো ভোটগণনা কক্ষত ১৬খনকৈ মেচ থাকিব। জিলাখনৰ এই সমষ্টি তিনিটাৰ বাবে মুঠ ২১০ গৰাকী ভোটগণনাকাৰী বিষয়া-কৰ্মচাৰীক ইতিমধ্যে প্ৰশিক্ষণ দিয়া হৈছে।

একেদৰে ডিফু লোকসভা সমষ্টিত ভোটগণনাৰ প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে কাৰ্বি আংলং জিলা প্ৰশাসনে ভোটগণনা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ক্ষেত্ৰলৈ পদপথ হিচাপে ঘোষণা কৰিছে।

কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ ভোট গণনা প্ৰক্ৰিয়াৰ বাবে নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ যাৱতীয় প্ৰশিক্ষণৰো কালি অন্ত পৰে।

০০০০

ৰীমালৰ প্ৰভাৱত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত বৰাক উপত্যকাৰ তিনি জিলা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ লগতে নগাঁৱৰ কামপুৰৰ বান পৰিস্থিতি জটিল হৈয়ে আছে। চুবুৰীয়া ৰাজ্য মেঘালয়ৰ গাৰো পাহাৰত হোৱা বৰষুণৰ ফলত নামি অহা পানীৰ ঢলে আজি মানকাচৰৰ কালাপানীত পথ ক্ষতিগ্ৰস্ত কৰাৰ লগতে বিস্তীৰ্ণ কৃষিভূমি প্লাৱিত কৰে। বানপানীত কালাপানী-টোপপাৰা সংযোগী দলংখন উটি যোৱাৰ ফলত অঞ্চলটোৰ ৭-৮খন গাঁৱৰ যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে।

অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি ১০খন জিলাৰ ৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। হাইলাকান্দি, হোজাই, মৰিগাঁও, কৰিমগঞ্জ, নগাঁও, কাছাৰ, ডিব্ৰুগড়, গোলাঘাট, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৯৭ খন গাঁও প্লাৱিত হৈছে আৰু ৪ হাজাৰ ৮০০ হেক্টৰৰো অধিক কৃষিভূমি বানৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলা কেইখনত মুঠ ১৮৭টা সাহায্য শিবিৰ আৰু ৯৬টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে।

কৰিমগঞ্জত বানপানী সংক্ৰান্তীয় প্ৰয়োজনীয় তথ্য বিনিময়ৰ বাবে এটা বান কোষ আৰু নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। জলসম্পদ বিভাগৰ উত্তৰ কৰিমগঞ্জ কাৰ্যালয়ত স্থাপন কৰা নিয়ন্ত্ৰণ কক্ষৰ টেলিফোন নম্বৰ হৈছে ৯১০১৭৩০৪১৫। ইয়াৰ উপৰি নিয়ন্ত্ৰণ কক্ষৰ ভাৰপ্ৰাপ্ত বিষয়াক ৮৭৬১৯৫৫৫২৭ আৰু ভাৰপ্ৰাপ্ত সহায়কক ৮৭২১৯১২৫০৪ টেলিফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

ডিব্ৰুগড় জিলাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটা দলে বান প্ৰভাৱিত অঞ্চলসমূহত উপস্থিত হৈ স্থানীয় ৰাইজ আৰু অংগনবাড়ী কৰ্মীসকলৰ মাজত হেলোজেন টেবলেট বিতৰণ কৰে। ইয়াৰ লগতে অনাময় আৰু পৰিস্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবেও দলটোৱে পদক্ষেপ গ্ৰহণ কৰে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা অঞ্চলটোত ৩ হাজাৰ হেলোজেন টেবলেট আৰু সজাগতামূলক প্ৰচাৰ পত্ৰিকা বিতৰণ কৰা হয়।

বানত ক্ষতিগ্ৰস্ত ৰাইজৰ উদ্ধাৰ আৰু সাহায্য অভিযানৰ কামত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দলো নিয়োগ কৰা হৈছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ প্ৰথম বেটেলিয়নৰ এটা অতিৰিক্ত দল বিমানেৰে গুৱাহাটীৰ পৰা হাইলাকান্দি, কাছাৰ আৰু কৰিমগঞ্জ জিলালৈ প্ৰেৰণ কৰা হৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত নতুন দিল্লীত আজি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ আন কেইবাখনো ৰাজ্যত ৰিমাল ঘুৰ্ণিবতাহৰ পৰৱৰ্তী পৰ্যায়ৰ স্থিতিৰ পৰ্যালোচনা সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত মিজোৰাম, অসম, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰাত ৰিমাল ঘুৰ্ণিবতাহৰ প্ৰভাৱত সৃষ্টি হোৱা প্ৰাকৃতিক দুৰ্যোগৰ ফলত জন ধনৰ ক্ষয়-ক্ষতিৰ সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰধানমন্ত্ৰীক অৱগত কৰে। ঘুৰ্ণিবতাহৰ দ্বাৰা প্ৰভাৱিত ৰাজসমূহক কেন্দ্ৰীয় চৰকাৰে সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়াই থাকিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগত ৰীমাল প্ৰভাৱত উদ্ভৱ হোৱা প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা ব্যক্তিৰ নিকতাত্মীয়লৈ দুই লাখ টকাৰ এককালীন সাহায্য আৰু আহত সকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰা হৈছে।

০০০০

অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে অহা ৭ জুনৰ ভিতৰত শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰু এ আই নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ সকলো জিলালৈ নিৰ্দেশনা জাৰি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে শেহতীয়াভাৱে জাৰি কৰা এই নিৰ্দেশনাত নিৰ্ধাৰিত সময়ৰ পাছত নতুন ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন প্ৰক্ৰিয়াৰ সুবিধা বন্ধ হৈ পৰিব বুলি উল্লেখ কৰিছে। উল্লেখযোগ্য যে নতুন শিক্ষা বৰ্ষৰ দুটা মাহ অতিক্ৰম কৰাৰ পাছতো শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন চলি থকাত কিমান সংখ্যক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি ইত্যাদিৰ সুবিধা প্ৰদান কৰিব লাগিব সেয়া থিৰাং কৰাত শিক্ষা বিভাগ অসুবিধাৰ সন্মুখীন হৈছে। ইয়াৰ ফলস্বৰূপে

বিদ্যালয় শিক্ষা বিভাগে ৰাজ্যৰ সকলো জিলাৰ শিক্ষা বিভাগৰ অতিৰিক্ত আয়ুক্ত, জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি ৭ জুনৰ ভিতৰত  শিক্ষা সেঁতু এপত ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়ন আৰু এ আই নামভৰ্তি সম্পূৰ্ণ কৰাৰ নিৰ্দেশ দিছে।

০০০০

মৰিয়নীৰ নাগিনীজানত আফ্ৰিকান ছোৱাইন ফ্লুৰ প্ৰাদুৰ্ভাৱৰ পাছত গোলাঘাট জিলাৰ কাজিৰঙাতো পশু চিকিৎসক আৰু কৰ্মচাৰীসকল এই বিষয়ত সতৰ্ক হৈ পৰিছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বনৰীয়া গাহৰিয়ে সঘন বিচৰণ কৰা অঞ্চলসমূহত কাষৰীয়া গাঁওসমূহত পালন কৰা ঘৰচীয়া গাহৰি সততে প্ৰবেশ কৰাৰ পৰিপ্ৰেক্ষিতত বন কৰ্মচাৰী আৰু পশু চিকিৎসকসকলে সতৰ্কতা অৱলম্বন কৰিছে। বনৰীয়া গাহৰিলৈ বেমাৰবিধৰ সংক্ৰমণ প্ৰতিহত কৰিবলৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ কাষৰীয়া গাঁওসমূহৰ ঘৰচীয়া গাহৰিবোৰ নিধন কৰা হৈছে। ইয়াৰ লগতে পশপ চিকিৎসকসকলে জিলাখনৰ গাহৰি পালকসকলক সজাগ হোৱাৰ বাবে আহ্বান জনায়।

০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত শিমলাগুৰিত আজি আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী অভিযান চলাই গাঞ্জাসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। বিশেষ সূত্ৰৰ পম খেদি শিমলাগুৰি অঞ্চলত চলোৱা অভিযানত আৰক্ষীয়ে গোবিন্দপুৰৰ নিবাসী সৰবৰাহকাৰীজনক এখন পান দোকানৰ পৰা আটক কৰে। অঞ্চলটোত গাঞ্জা তথা অন্যান্য মাদক দ্ৰব্য সৰবৰাহৰ বিষয়ে তথ্য লাভৰ কাৰণে আৰক্ষীয়ে সৰবৰাহকাৰীজনক জেৰা অব্যাহত ৰাখিছে।

০০০০

কুসংস্কাৰ আৰু অন্ধবিশ্বাস বিৰোধী পদক্ষেপেৰে ৰাষ্ট্ৰজুৰি পৰিচিতি গঢ়ি তোলা বীৰুবালা ৰাভাৰ স্মৃতিত আজি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদ, নিখিল ৰাভা ছাত্ৰ সন্থা ইত্যাদিৰ উদ্যোগত গোৱালপাৰা জিলাৰ ঠাকুৰভিলা ৰাজহুৱা খেলপথাৰত আয়োজিত বিস্তৃত কাৰ্যসূচীত পৰম্পৰাগত ফাৰ্কান্তি নৃত্য পৰিবেশন, সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজনৰ লগতে স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে বীৰুবালা ৰাভাৰ মৃত্যু দিৱস ১৩ মে'ৰ দিনটো ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদে অন্ধবিশ্বাস আৰু কুসংস্কাৰ বিৰোধী দিৱস হিচাপে ঘোষণা কৰাৰ লগতে তেখেতৰ এটি ব্ৰঞ্জৰ প্ৰতিমূৰ্তি স্থাপন কৰিব বুলি উল্লেখ কৰে।

০০০০

ভাৰতীয় বক্সাৰ অমিত পংগালে পুৰুষৰ ৫১ কিলোগ্ৰাম শাখাত পেৰিছ্ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিছে। আজি বেংককত অনুষ্ঠিত বিশ্ব বক্সিং কোৱালিফায়াৰৰ কোৱাৰ্টাৰ ফাইনেলত অমিতে চীনৰ লিউ ছুৱাঙক ৫-০ ফলাফলত পৰাস্ত কৰে। উল্লেখযোগ্য যে নিশান্ত দেৱ, নিখত জৰিণ, প্ৰীতি পাৱাৰ আৰু লাভলীনা বৰগোহাইৰ পাছত পেৰিছ্ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰা অমিত ভাৰতৰ পঞ্চম গৰাকী বক্সাৰ।

০০০০

বঙ্গোপসাগৰৰ উত্তৰ দিশৰ পৰা অসম তথা উত্তৰ পূৰ্বাঞ্চলত প্ৰৱেশ কৰা ৰিমাল ঘূৰ্ণিবতাহৰ প্ৰভাৱত যোৱা ২৭ মে'ৰ পৰা ৰাজ্যখনৰ ঠায়ে ঠায়ে প্ৰচণ্ড ধুমুহা আৰু বৰষুণৰ ফলত বিস্তৰ ক্ষয় ক্ষতি, মিজোৰামত ভূমিস্খলনত ২৮ জন নিহত, লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন, ৪ জুনত ভোটগণনাৰ প্ৰস্তুতিকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰিয়ে বিগত সপ্তাহৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰে।

ৰীমালৰ প্ৰভাৱত সৃষ্টি হোৱা ধাৰাষাৰ বৰষুণ আৰু ধুমুহাৰ লগতে ভূমিস্খলনৰ ফলত ৰাজ্যত কেইবাজনো লোকৰ মৃত্যু হোৱাৰ উপৰি ভালেমান অঞ্চলত ক্ষতি হৈছে। আনহাতে, নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১১খন জিলা বানৰ কবলত পৰিছে। বৰাক, কপিলী, কুশিয়াৰা আৰু কাটাখালকে ধৰি কেইবাখনো নৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। এই বানত কমেও ৩ লাখ লোক ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি ৰাজ্যখনত ১১ জন লোকৰ মৃত্যু হোৱা বুলি জানিব পৰা গৈছে।

বৰাক উপত্যকাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলত সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী চমুকৈ এন ডি আৰ এফৰ এটা অতিৰিক্ত দল প্ৰেৰণ কৰা হৈছে।  উপত্যকাটোত আকস্মিক বানৰ ফলত হোৱা ক্ষয় ক্ষতি ৰোধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে এনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

মিজোৰামত ধাৰাসাৰ বৰষুণৰ ফলত মঙলবাৰে হোৱা ভূমিস্খলনত কমেও দুটি শিশুসহ ২৮গৰাকী লোকৰ মৃত্যু হয়। আইজলৰ দক্ষিণ দিশৰ সীমামূৰীয়া মেলথুম অঞ্চলৰ এটা শিলৰ কুৱেৰিৰ বাহিৰত হোৱা এই ভূমিস্খলনৰ ফলত ১৩ জন লোকৰ মৃত্যু হয়। ইপিনে, আইজলৰ চালেমহেঙত ভূমিস্খলনৰ ফলত এটা ভৱন ভাগি পৰাত এগৰাকী সন্তান সম্ভৱা মহিলাকে ধৰি তিনিজন লোকৰ মৃত্যু হয়। আন এটা ঘটনাত মেলথুমৰ সমীপত ভূমিস্খলনত কেইবাটাও বাসগৃহ খহি যোৱাত ৪ জন লোকে প্ৰাণ হেৰুৱায়। একেদৰে ৰাজ্যখনৰ আন কেইবাটাও অঞ্চলত ভূমিস্খলনৰ ফলত ভালেসংখ্যক বাসগৃহৰ ক্ষতি হোৱাৰ লগতে মুঠ ২৮ জন লোকৰ মৃত্যু হৈছে।

বানত আৱদ্ধ হৈ পৰা চাইৰাং গাঁৱৰ প্ৰায় ৫০ টা পৰিয়ালক নিৰাপদ স্থানলৈ লৈ যোৱা হৈছে। মুখ্যমন্ত্ৰী লালডুহোমাই ভূমিস্খলনত নিহত লোককেইজনৰ পৰিয়াললৈ ৪ লাখ টকাকৈ এককালীন সাহায্য ঘোষণা কৰে। ইপিনে, ৰাজ্যখনৰ গৃহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী তথা মুখ্য সচিবৰ সৈতে হোৱা বৈঠকত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত দুৰ্যোগৰ মোকাবিলা কৰাৰ বাবে ১৫ কোটি টকা ধাৰ্য কৰা হৈছে বুলি ঘোষণা কৰে। ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ আছে আৰু কেৱল অত্যাৱশ্যকীয় সামগ্ৰী সংগ্ৰহৰ বাবেহে জনসাধাৰণক বাহিৰলৈ ওলাবলৈ অনুমতি দিয়া হৈছে।

আনহাতে, হুন্থাৰ এলেকাৰ ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত হোৱা ভূমিস্খলনৰ ফলত আইজলৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰে।

০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত কালি ৬২ দশমিক ৩-৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি সপ্তম পৰ্যায়ত বিহাৰত ৫১ দশমিক ৯-২, চণ্ডিগড়ত ৬৭ দশমিক ৯-০, হিমাচল প্ৰদেশত ৭০ দশমিক ০-৫, ঝাৰখণ্ডত ৭০ দশমিক ৬-৬, ওড়িশাত ৭০ দশমিক ৬-৭, পাঞ্জাবত ৬১ দশমিক ৩-২, উত্তৰ প্ৰদেশত ৫৫ দশমিক ৫-৯ আৰু পশ্চিমবংগত ৭৩ দশমিক ৭-৯ শতাংশ ভোটদান সম্পন্ন হৈছে।

সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে ১৯ এপ্ৰিলত আৰম্ভ হোৱা বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়াৰো কালি সামৰণি পৰে। নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে কৈছে যে, লোকসভা নিৰ্বাচনৰ সাতোটা পৰ্যায়ত ভোটগ্ৰহণ সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে।

ইফালে দেশৰ অন্যান্য ৰাজ্যৰ লগতে অসমৰ ১৪ টা সমষ্টিত পৰহিলৈ হবলগীয়া ভোটগণনাৰ বাবে নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে জিলা প্ৰশাসনসমূহে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে।

০০০০

পৰহিলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ পূৰ্বে কেইবাটাও ব্যক্তিগত টিভি চেনেল আৰু অন্য সংস্থাই নিৰ্বাচনোত্তৰ সমীক্ষাৰ তথ্য প্ৰকাশ কৰিছে। বেছিভাগ নিৰ্বাচনোত্তৰ সমীক্ষাত বিজেপি নেতৃত্বাধীন এন ডি এ মিত্ৰজোট লোকসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰি পুনৰ ক্ষমতালৈ আহিব বুলি কোৱা হৈছে। সমীক্ষাৰ তথ্য অনুসৰি এন ডি এয়ে ৫৪৩ জনীয়া লোকসভা দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ সম্ভাৱনা আছে। লোকসভাত সাধাৰণ সংখ্যাগৰিষ্ঠতাৰ বাবে ২৭২ খন আসনৰ প্ৰয়োজন।

নিৰ্বাচনী বিশেষজ্ঞসকলে নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ৩৫০ খনৰো অধিক আসন লাভ কৰি পুনৰ ক্ষমতালৈ আহিব বুলি পূৰ্বানুমান প্ৰকাশ কৰিছে। বিৰোধী আই এন ডি আই মিত্ৰজোটে লোকসভা নিৰ্বাচনত ১২৫ ৰ পৰা ১৫০ খন আসন লাভ কৰিব পাৰে। এইবাৰৰ লোকসভা নিৰ্বাচনত বিজেপি আৰু কংগ্ৰেছৰ মাজত পোনপটীয়া প্ৰতিদ্বন্দিতা পৰিলক্ষিত হৈছে।

০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানত চলিত পৰ্যটন বৰ্ষৰ বাবে জীপ চাফাৰীৰ সময়সীমা ২০ জুনলৈ বৃদ্ধি কৰা হৈছে। উদ্যানখনৰ বাঁহবাৰী বন সংমণ্ডল বিষয়াই প্ৰকাশ কৰা মতে, এই সন্দৰ্ভত কালি জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে পৰ্যটকৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰবেশদ্বাৰ ৫ জুনত বন্ধ কৰা হ'ব বুলি জাননী দিয়া হৈছিল। বাৰিষাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত লোৱা হৈছিল যদিও পৰ্যটকৰ আগমন অব্যাহত থকাৰ লগতে বাট-পথ সুচল হৈ থকালৈ লক্ষ্য ৰাখি জীপ চাফাৰীৰ সুবিধা ২০ জুনলৈ বৃদ্ধি কৰা হয়। অৱশ্যে বাঁহবাৰী ৰেঞ্জৰ প্ৰৱেশদ্বাৰৰ পৰা মথনগুৰিলৈ মূল পথটোতহে জীপ চাফাৰীৰ ব্যৱস্থা থাকিব।

০০০০

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অহা ১৬ জুনৰ পৰা হবলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ঘোষণা কৰা ভাৰতৰ ছিনিয়ৰ মহিলা দলত অসমৰ উমা চেত্ৰীয়ে স্থান লাভ কৰিছে। উল্লেখযোগ্য যে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ক্ৰিকেট শৃংখলাত ভাৰতৰ মহিলা দলটোৱে ৩ খন এদিনীয়া, এখন টেষ্ট আৰু ৩ খন টি টুৱেণ্টি খেল খেলিব। উমা চেত্ৰী প্ৰথমবাৰ ২০২৩ চনৰ জুন মাহৰ বাংলাদেশ ভ্ৰমণৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰিছে। উমা চেত্ৰী চীনত অনুষ্ঠিত এছিয়ান গেমছত সোণৰ পদক জয় কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলটোৰ অন্যতম সদস্য আছিল।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা বাতৰিসমূহত চমু অৱলোকন।

০০০০

ঃঃ সমাপ্ত ঃঃ